**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 29-06-2025 **Time :** 1715 Hrs.

**Assamese Evening Bulletin**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধাৰাপুৰ তালুক সভাঘৰৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি, ৰাজ্য চৰকাৰে আছুতীয়া পুঁজিৰ পৰা আগবঢ়োৱা ৬০ লাখ টকাৰে সভাঘৰটোৰ নিৰ্মাণৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ইয়াৰ পাছতে কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যেৰে মুখ্যমন্ত্ৰী শিৱসাগৰত উপস্থিত হয়। পোনে পোনে ঐতিহাসিক ৰংঘৰত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰংঘৰৰ প্ৰস্তাৱিত অত্যাধুনিক প্ৰকল্পৰ প্ৰস্তুতি সম্পৰ্কে বুজ লোৱাৰ লগতে কৃত্ৰিম বানৰ উৎপত্তি আৰু সমাধান সন্দৰ্ভতো পৰ্যবেক্ষণ কৰে। তেওঁ শিৱসাগৰ জিলাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ডিমৌ-মৰাণ অংশত বিমানৰ জৰুৰীকালীন অৱতৰণৰ সুবিধা – ই এল এফেৰে নিৰ্মাণ কৰা বিশেষ স্থান পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে এই আন্তঃগাঁথনি ৰাষ্ট্ৰীয় সুৰক্ষাৰ দিশত গুৰুত্বপূৰ্ণ সম্পদ বুলি মন্তব্য কৰে। বিমানৰ উৰণ আৰু অৱতৰণৰ সুবিধা থকা এনে অন্য দুটা ৰাষ্ট্ৰীয় ঘাইপথৰ অংশ হোজাই আৰু বাক্সাত নিৰ্মাণ কৰি থকা হৈছে। যুদ্ধবিমান ৰাফেল, মিগ, তেজশ আদিকে ধৰি সামৰিক বিমান অৱতৰণ আৰু উৰণৰ আৰ্হিৰে এই ই এল এফ নিৰ্মাণ কৰা হৈছে। জৰুৰীকালীন সময়ৰ বাদে এই পথটো সাধাৰণ বাহন চলাচলৰ বাবে নিয়মীয়া ঘাইপথ হিচাপে ব্যৱহাৰ কৰা হ'ব।

ৰংঘৰৰ বাকৰিৰ পৰা মুখ্যমন্ত্ৰী ড° শৰ্মা অ' এন জি চিৰ তৈলখাদৰ বিস্ফোৰণ সংঘটিত হোৱা ভটিয়াপাৰলৈ ৰাওনা হ'ব। তেওঁ ভটিয়াপাৰৰ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে আলোচনাত মিলিত হৈ অভাৱ-অভিযোগৰ বুজ ল'ব। ইয়াৰ পাছত তেওঁ হাৰমতিগড় আৰু গৌৰীসাগৰৰ চাৰিলেনযুক্ত পথ সংযোগী নৱনিৰ্মিত দলঙৰ বাবে প্ৰয়োজনীয় পথৰ সমস্যাৰ বুজ ল'ব। তেওঁ ২ কিলোমিটাৰ নিলগৰ শ্ৰীপুৰীয়া ঘাটৰ দিখৌ নৈৰ ঘাটত নিৰ্মাণ কৰা পকী দলং উদ্বোধন কৰিব।

০০০০০০০

কাইলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে গোলাঘাটলৈ যাব। পুৱাৰ ভাগত তেওঁ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আঠখেলিয়া নামঘৰ আৰু আঠখেলিয়াৰ ত্ৰিশূলধাৰী মন্দিৰ দৰ্শন কৰিব। ইয়াৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ ইনড'ৰ ষ্টেডিয়াম উন্মোচন কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ নৱনিৰ্মিত গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়া প্ৰকল্পও উন্মোচন কৰিব।

০০০০০০০

বিদ্যালয় শিক্ষা বিভাগে শাৰদীয় দুৰ্গাপূজাৰ সময়ত ১২ হাজাৰৰো অধিক শিক্ষক পদত নিযুক্তি দিব বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। শিক্ষক পদ পূৰণৰ বাবে অৰ্হতা সম্পন্ন প্ৰাৰ্থীৰ বাচনি প্ৰক্ৰিয়া চলি আছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিছে। পহিলা জুলাইৰ পৰা মাধ্যমিক পৰ্যায়ত খালী হৈ থকা ৭ হাজাৰ ৫৮৮ টা শিক্ষক পদ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ডিব্ৰুগড়, যোৰহাট, কাছাৰ, নগাঁও, কামৰূপ মহানগৰ আৰু বঙাইগাঁও জিলাত নিযুক্ত হ'বলগীয়া এই স্নাতক শিক্ষকৰ পদসমূহ পুৰণৰ বাবে ছটা মণ্ডলত প্ৰাৰ্থীৰ নথিপত্ৰ পৰীক্ষণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ দ্বাৰা পৰিচালিত হ'বলগীয়া

এই বাচনি প্ৰক্ৰিয়া সন্দৰ্ভত শিক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে স্নাতক শিক্ষকৰ বাবে মুঠ সাত হাজাৰ ৫৮৮ টা পদৰ বাবে আবেদন বিচৰা হৈছিল আৰু এই পদৰ বাবে ছহেজাৰ ২৩৬ গৰাকী প্ৰাৰ্থীৰ আবেদন যোগ্য বিবেচিত হৈছে। বাকী এহেজাৰ ৩৫২ টা পদৰ বাবে পৰৱৰ্তী সময়ত বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ৰাজ্যৰ বিভিন্ন বিদ্যালয়ত খালী হৈ থকা স্নাতকোত্তৰ শিক্ষকৰ এহেজাৰ ৪৮৭ টা পদৰ বাবে নথি পৰীক্ষণ সম্পূৰ্ণ হোৱাৰ পাছতো খালী হৈ ৰ'বলগীয়া ২৩০টা পদ সন্দৰ্ভত ডাঃ পেগুৱে এই পদসমূহৰ বাবেও শীঘ্ৰে বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলি মন্তব্য কৰে।

০০০০০০০

চলিত মাহৰ দ্বিতীয় সপ্তাহটোত দৰং জিলাত শেহতীয়াকৈ জাপানীজ এনচেফেলাইটিছ সদৃশ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰিছে। জিলা স্বাস্থ্য বিভাগৰ উদ্ধৃতি দি আমাৰ দৰং জিলাৰ সংবাদদাতাই জনোৱা মতে জিলাখনত এই পৰ্যন্ত এই দুয়োবিধ ৰোগত তিনিজন লোকৰ মৃত্যু হৈছে। ইয়াৰ লগতে জাপানীজ এনচেফেলাইটিছ ৰোগত আঠজন আৰু এনচেফেলইটিছ সদৃশ ৰোগত আৰু ১৬জন লোক আক্ৰান্ত হৈ আছে বুলি বাতৰি পোৱা গৈছে। জিলা স্বাস্থ্য বিভাগে বাহকজনিত ৰোগৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ বাবে যাৱতীয় প্ৰচেষ্টা গ্ৰহণ কৰিছে।

০০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই আজি বদৰপুৰ-লামডিং অংশৰ জাতিংগা-লামপৰু ষ্টেচনৰ মাজেৰে যাত্ৰীবাহী ৰে'লৰ চলাচল আৰম্ভ কৰিছে। জাতিংগা-লামপুৰ অঞ্চলত ভূমিস্খলনৰ ফলত ক্ষতিগ্ৰস্ত হোৱা বদৰপুৰ-লামডিং ৰে'লপথৰ আংশিক পুনৰোদ্ধাৰ ছদিনৰ বিৰতিত সম্ভৱ হোৱাত মালবাহী ৰে'ল চলাই ট্ৰেকৰ সবিশেষ পৰীক্ষা কৰাৰ পাছত আজি যাত্ৰীবাহী ৰে'লৰ চলাচলো আৰম্ভ কৰা হয়।

কালি পুৱা কলকাতাৰ পৰা ৰাওনা হোৱা শিয়ালদহ-শিলচৰ কাঞ্চনজংঘা এক্সপ্ৰেছে আজি এই পাহাৰীয়া ৰে'লপথছোৱা অতিক্ৰম কৰে। যোৱা ২৩ জুনৰ পৰা ভূমিস্খলনৰ বাবে ডিমা হাছাও আৰু বৰাক উপত্যকাৰ লগতে ত্ৰিপুৰা, মিজোৰাম আৰু মণিপুৰৰ সৈতেও ৰে'ল যোগাযোগ বিচ্ছিন্ন হৈ আছিল। আজিৰ দিনটোত দুখন বা তিনিখন ৰে'ল চলাচল কৰাৰ পৰিৱৰ্তে অধিকাংশ ৰে'লৰ যাত্ৰা এতিয়াও সুৰক্ষাজনিত কাৰণত বাতিল কৰি ৰখা হৈছে। আজি নিশা ১০ বাজি ৪০ মিনিটত শিলচৰৰ পৰা ৰঙিয়া অভিমুখে যাত্ৰা কৰিবলগীয়া ৰে'লখন কাইলৈ পুৱা ৫ বজাত ৰাওনা হ'ব।

০০০০০০০

**সমাপ্ত**